**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**---------------------**

১। ভূটানৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

২। অহা বছৰৰ পৰা ৮০ শতাংশ নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলকহে ড০ বাণীকান্ত কাকতি মেধা বঁটা প্ৰদান কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৰ ঘোষণা।

৩। হিট এণ্ড ৰাণৰ ঘটনা সন্দৰ্ভত ভাৰতীয় ন্যায় সংহিতাৰ ১০৬-২ নম্বৰ ধাৰাৰ অধীনত গোচৰ ৰুজু নকৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ।

৪। লোকসভাত আজি **এখন দেশ, এটা নিৰ্বাচন** সম্পৰ্কীয় দুখন বিধেয়ক উত্থাপন। **আৰু**

৫। ব্ৰীজবেন টেষ্টৰ চতুৰ্থ দিনা অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ফল'অনৰ পৰা হাত সাৰিবলৈ ভাৰতৰ সংগ্ৰাম অব্যাহত।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ভূটানৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱসৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। চাৰিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে কালি থিম্ফুত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দেশখনৰ ৰাজধানীত অনুষ্ঠিত এডভাণ্টেজ আছামৰ ৰোড শ্ব'ত অংশ লৈ ভূটানৰ প্ৰধানমন্ত্ৰী দাছ' শ্বেৰিং টবগে আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলক এডভাণ্টেজ আছাম সন্মিলন ২০২৫ৰ বাবে আমন্ত্ৰণ জনায়। উল্লেখযোগ্য যে থিম্ফু বিমান বন্দৰত কালি মুখ্যমন্ত্ৰীগৰাকীক ভূটানৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী লিয়নপো ডি এন ধুংগিয়েলে আদৰণি জনায়। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰী ড° শৰ্মাই অসমৰ কোকৰাঝাৰৰ পৰা ভূটানৰ গেলেফুলৈ প্ৰস্তাৱিত ৰে'ল পথ নিৰ্মাণ সম্পৰ্কেও দেশখনৰ নেতৃবৰ্গৰ সৈতে আলোচনা কৰাৰ লগতে অসম তথা ভাৰতৰ সৈতে ভূটানৰ সম্পৰ্ক উন্নত কৰাৰ বাবে মুখ্যমন্ত্ৰীয়ে দেশখনৰ ৰজা আৰু প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে আলোচনাত মিলিত হোৱাৰ কথা। তদুপৰি ভূটানৰ পৰা নামি অহা নৈসমূহৰ পৰা অসমত সৃষ্টি হোৱা বান পৰিস্থিতি নিয়ন্ত্ৰণ সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে আলোচনা কৰাৰ সম্ভাৱনা আছে। এই ভ্ৰমণে প্ৰতিবেশী ৰাষ্ট্ৰখনৰ সৈতে অসমৰ বন্ধুত্বৰ এনাজৰী কটকটীয়া কৰি তুলিব বুলি আশা কৰা হৈছে। অসম চৰকাৰৰ উদ্যোগত অহা বছৰৰ ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছাম ইনভেষ্টমেণ্ট এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ চামিটৰ লগত সংগতি ৰাখি কালি সন্ধিয়া থিম্ফুত অনুষ্ঠিত এখন ব্যৱসায়িক সন্মিলনত ভূটানৰ প্ৰধানমন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইও অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে পৰ্যটন ক্ষেত্ৰত ভূটানৰ প্ৰাচীন ভূ-প্ৰাকৃতিক স্থানসমূহৰ লগতে অসমৰ কাজিৰঙা, মানস ৰাষ্ট্ৰীয় উদ্যান আৰু মাজুলী সংযোগ কৰি এটা পৰ্যটন ক্ষেত্ৰৰ সংবৰ্ধনৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব। তেওঁ লগতে অসমৰ চিকিৎসা মহাবিদ্যালয়ত ভূটানৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ৫ খন আসন সংৰক্ষণৰ ব্যৱস্থাৰ বিষয়েও উল্লেখ কৰে।

০০০০০০

ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত অহা বছৰৰ পৰা ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীকহে স্কুটী প্ৰদান কৰা হ'ব বুলি শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মন্তব্য কৰিছে। কালি মাজুলীত আনন্দৰাম বৰুৱা বঁটা প্ৰদান অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শিক্ষামন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে শিক্ষা বিভাগে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ন্যূনতম ৬০ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক আনন্দৰাম বৰুৱা বঁটা প্ৰদান কৰাৰ লগতে উচ্চতৰ মাধ্যমিকত ৬০ শতাংশ নম্বৰ পোৱা ছাত্ৰী আৰু ৬৫ শতাংশ বা তাতকৈ অধিক নম্বৰ লাভ কৰা ছাত্ৰক ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত স্কুটী প্ৰদান কৰিব আহিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হৈ চৰকাৰী মহাবিদ্যালয়ত নামভৰ্তি কৰা শিক্ষাৰ্থীয়েহে স্কুটী লাভ কৰিব বুলি উল্লেখ কৰিছিল। ব্যক্তিগত প্ৰতিষ্ঠান, কোচিং চেণ্টাৰ আদিত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীক এই বঁটা প্ৰদান কৰা নহ'ব বুলি তেওঁ উল্লেখ কৰিছে। ইপিনে মাজুলীত আয়োজিত কালিৰ অনুষ্ঠানতে শিক্ষা মন্ত্ৰীয়ে প্ৰতিখন হাইস্কুলত এজনকৈ গণিত বিষয়ৰ শিক্ষক নিযুক্তি দিয়া হ'ব বুলি ঘোষণা কৰে। অহা বছৰৰ ৰা সকলো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ডিজিটেল শ্ৰেণীকোঠাৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। একেদৰে শিক্ষা বিভাগে ৩৬ হাজাৰ শিক্ষকৰ পাৰস্পৰিক বদলি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিছে বুলি প্ৰকাশ কৰি এতিয়াৰে পৰা বদলিৰ বাবে শিক্ষকসকলে শিক্ষা সেঁতু এপৰ জৰিয়তে আবেদন কৰিব পাৰিব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। শিক্ষা মন্ত্ৰীগৰাকীয়ে কালি মাজুলীত কৰা এনে মন্তব্য সন্দৰ্ভত আমাৰ মাজুলীৰ সংবাদদাতা বিকাশ শইকীয়াই এইদৰে কয়—

**(ভইচ)**

০০০০০০

পথ দুৰ্ঘটনা সংঘটিত কৰি আৰক্ষীক খবৰ নিদিয়াকৈ পলায়ন কৰা অৰ্থাৎ হিট এণ্ড ৰান ঘটনা সন্দৰ্ভত ভাৰতীয় ন্যায় সংহিতাৰ ১০৬-২ নম্বৰ ধাৰাৰ অধীনত গোচৰ ৰুজু নকৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশ জাৰি কৰিছে। ন্যায়ালয়ে এই ধাৰাৰ অধীনত গোচৰ ৰুজু নকৰিবলৈ থানাসমূহলৈ নিৰ্দেশ জাৰি কৰাৰ বাবে আৰক্ষী সঞ্চালক প্ৰধানক নিৰ্দেশ দিছে। উল্লেখযোগ্য যে কেন্দ্ৰীয় চৰকাৰে যোৱা ১ জুলাইৰ পৰা দেশত বলৱৎ কৰা নতুন ফৌজদাৰী আইনৰ অধীনৰ ভাৰতীয় ন্যায় সংহিতাৰ এই ধাৰাটোক বলৱৎকৰণৰ আউটাৰ পৰা বাদ দিয়া হৈছে। অসম আৰক্ষীয়ে এই ধাৰাৰ অধীনত হিট এণ্ড ৰানৰ গোচৰ ৰুজু কৰি আহিছে বুলি এজন লোকে ৰাজহুৱা স্বাৰ্থজনিত আবেদন উচ্চ ন্যায়ালয়ত দাখিল কৰিছিল। এই আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ কৌশিক গোস্বামীৰ খণ্ড বিচাৰপীঠে অসম আৰক্ষীক ভাৰতীয় ন্যায় সংহিতাৰ ১০৬-২ নম্বৰ ধাৰাৰ অধীনত কোনো গোচৰ ৰুজু নকৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০

এই বৰ্ষৰ স্বাধীনতা দিৱস উদযাপনৰ সময়ত গুৱাহাটীত আই ই ডি সংস্থাপন কৰাৰ অপৰাধত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা চমুকৈ NIAই নিষিদ্ধঘোষিত উগ্ৰপন্থী সংগঠন সংযুক্ত মুক্তি বাহিনী অসম অৰ্থাৎ আলফা স্বাধীনৰ এজন সক্ৰিয় সদস্যক গ্ৰেপ্তাৰ কৰিছে। NIAৰ দলে অসম আৰক্ষীৰ সহযোগত কালি ডিব্ৰুগড়ৰ জাহ্নু বৰুৱাৰ বাসগৃহত চলোৱা অভিযানত ডিজিটেল যন্ত্ৰ তথা আপত্তিজনক সামগ্ৰী জব্দ কৰা হয় আৰু সম্প্ৰতি সেইবোৰৰ পৰীক্ষা চলাই থকা হৈছে। পাছলৈ অধিক সোধা-পোছাৰ বাবে তেওঁক স্থানীয় আৰক্ষী থানালৈ তলব কৰা হয়।

প্ৰাথমিক তদন্তত অভিযুক্তজনে স্বাধীনতা দিৱসত অসম আৰক্ষীয়ে জব্দ কৰা ১১টা আই ই ডিৰ ভিতৰত ৪টাৰ সংস্থাপনৰ সৈতে জড়িত থকাৰ কথা স্বীকাৰ কৰিছে। তাৰপাছতে জাহ্নু বৰুৱাক আইনী প্ৰক্ৰিয়া অনুসৰি গ্ৰেপ্তাৰ কৰা হয়।

উল্লেখযোগ্য যে, চলিত বৰ্ষৰ ১৭ ছেপ্তেম্বৰত NIAই অসম আৰক্ষীৰ পৰা এই গোচৰৰ তদন্তৰ দায়িত্ব গ্ৰহণ কৰিছিল আৰু আই ছং অসম ওৰফে অভিজিত গগৈ তথা সংগঠনৰ আন শীৰ্ষ নেতাৰ নিৰ্দেশত আই ই ডি কেইটা সংস্থাপন কৰাটো নিশ্চিত হৈছিল। সম্প্ৰতি গোচৰটোৰ তদন্ত অব্যাহত আছে।

০০০০০০

লোকসভাত আজি **এখন দেশ, এটা নিৰ্বাচন** সম্পৰ্কীয় দুখন বিধেয়ক উত্থাপন কৰা হ'ব। কেন্দ্ৰীয় আইনমন্ত্ৰী অৰ্জুন মেঘৱালে সংবিধানৰ ১২৯ সংখ্যক সংশোধনী আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ আইন সংশোধনী সন্দৰ্ভত দুখন বিধেয়ক আজি নিম্ন সদনত উত্থাপন কৰিব।

উল্লেখযোগ্য যে, শেহতীয়াকৈ চৰকাৰে দেশত এখন দেশ, এটা নিৰ্বাচনৰ ধাৰণাৰ বিবেচনাৰ বাবে গঠন কৰা উচ্চস্তৰীয় সমিতিৰ পৰামৰ্শ গ্ৰহণ কৰিছে। প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধ্যক্ষতাত গঠিত সমিতিখনে ৰাজনৈতিক দল তথা বিশেষজ্ঞকে ধৰি অংশীদাৰসকলৰ সৈতে ধাৰাবাহিক আলোচনাত মিলিত হৈছিল। বিধেয়কখন আইনত পৰিণত হ'লে ইয়াক দুটা পৰ্যায়ত কাৰ্যকৰী কৰা হ'ব। প্ৰথম পৰ্যায়ত লোকসভা আৰু বিধানসভাৰ নিৰ্বাচন একেলগে অনুষ্ঠিত কৰাৰ লগতে পঞ্চায়তৰ দৰে স্থানীয় সংস্থাৰ নিৰ্বাচনসমূহ সাধাৰণ নিৰ্বাচনৰ ১০০ দিনৰ ভিতৰত সম্পন্ন কৰা হ'ব।

ইপিনে, বিজেপিয়ে আজি দলৰ সকলো লোকসভা সদস্যক নিম্ন সদনত উপস্থিত থাকিবলৈ থ্ৰী লাইন হুইপ জাৰী কৰিছে।

০০০০০০

নগাঁও চহৰৰ নেহৰুৱালিত আজিৰে পৰা নগাঁও জিলা প্ৰসাশনৰ সহযোগত নগাঁও গ্ৰন্থমেলা অনুষ্ঠিত হ'ব। বিশিষ্ট সাহিত্যিক অৰূপ কুমাৰ দত্তই এই গ্ৰন্থমেলা উদ্বোধন কৰিব। গ্ৰন্থমেলাৰ সৈতে সংগতি ৰাখি কবি সন্মিলন, কুইজ প্ৰতিযোগিতা, শিশু অনুষ্ঠান আৰু **মহিম বৰাৰ শ্ৰষ্টা আৰু সৃষ্টি** শীৰ্ষক আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। ৰাজ্যৰ কেইবাটাও প্ৰকাশন গোষ্ঠীৰ লগতে বহিঃৰাজ্যৰ কেইবাটাও গোষ্ঠীয়ে এই গ্ৰন্থমেলাত অংশ ল'ব। নগাঁও গ্ৰন্থমেলা সন্দৰ্ভত জিলাখনৰ পৰা এয়া আমাৰ সংবাদদাতা মুনিন্দ্ৰ শইকীয়া–

**(ভইচ)**

০০০০০০

ৰাজ্যৰ সামগ্ৰিক বিকাশ আৰু জনসাধাৰণৰ জীৱনৰ মান উন্নীত কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে যোৱা ১১ ডিচেম্বৰৰ পৰা গ্ৰহণ কৰা বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অধীনত আজিও কেইবাখনো জিলাত আঁচনিৰ সুবিধা প্ৰদান কৰা হ'ব। আজি বৰপেটা, দৰং, ধুবুৰী, গোৱালাপাৰা, তামুলপুৰ, বঙাইগাঁও, চিৰাং, ধেমাজি আৰু চৰাইদেউ জিলাত আয়োজিত এই কাৰ্যসূচীত কেইবাগৰাকীও মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। বৰপেটা জিলাত জয়ন্ত মল্লবৰুৱা, দৰঙত ৰূপেশ গোৱালা, ধেমাজি জিলাত যোগেন মহন, গোৱালপাৰাত অশোক সিংহল, তামুলপুৰত নন্দিতা গাৰ্লোচা, বঙাইগাঁত ৰণজিৎ কুমাৰ দাস আৰু চৰাইদেউত মন্ত্ৰী বিমল বৰা এই অনুষ্ঠানত অংশ ল'ব।

০০০০০০

গোৱালপাৰা জিলাৰ ৰামপুৰৰ বাদুংদুপ্পা কলাকেন্দ্ৰত তিনিদিনীয়াকৈ অনুষ্ঠিত **আন্দাৰ দ্য শাল ট্ৰী** শীৰ্ষক নাট মহোৎসৱৰ আজি সামৰণি পৰিব। সামৰণি অনুষ্ঠানত বিভিন্ন ৰাভা লোককৃষ্টি প্ৰদৰ্শনৰ লগতে এখন

মুকলি সভাও অনুষ্ঠিত হ'ব। এই নাট মহোৎসৱত যোৱা দুদিনত ভালেসংখ্যক নাট্যপ্ৰেমীৰ সমাগম হৈছে। কালি তামিল ভাষাৰ নাট **তিনধান চৰ্থীৰাম** আৰু **কিষাণ ৰাজ** নামৰ নাটখন মঞ্চস্থ কৰা হয়। উল্লেখযোগ্য যে বিশিষ্ট নাট্যকৰ্মী প্ৰয়াত শুক্ৰাচাৰ্য্য ৰাভাই আৰম্ভ কৰা বাদুংদুপ্পা কলাকেন্দ্ৰই বিগত ১৪ বছৰ ধৰি ৰামপুৰ গাঁৱৰ সংৰক্ষিত বনাঞ্চলত থকা শালনিৰ মাজৰ এডোখৰ ভূমিক মঞ্চৰ ৰূপ দি দিনৰ পোহৰত নাট মঞ্চস্থ কৰি আহিছে। বনাঞ্চলত মঞ্চ তৈয়াৰ কৰি সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশৰ মাজত কোনোধৰণৰ যান্ত্ৰিক শব্দ, বৈদ্যুতিক পোহৰ আদি অবিহনে এই নাট সমাৰোহ অনুষ্ঠিত হয়। থলুৱা সা-সঁজুলি আৰু থলুৱা বাদ্যযন্ত্ৰক প্ৰাধান্য দি লোক নাট্য সংস্কৃতিক ব্যতিক্ৰমী ধাৰাৰে জীয়াই ৰখাৰ উদ্দেশ্যে বাদুংদুপ্পা কলাকেন্দ্ৰই আয়োজন কৰা এই নাট সমাৰোহত পশ্চিমবংগ আৰু চেন্নাইৰ নাট্য দলেও নাট পৰিবেশনত অংশ লৈছে।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কালি বিদেশী শিক্ষাৰ্থী থাকিব পৰাকৈ উন্নত সা-সুবিধাযুক্ত এটা আন্তঃৰাষ্ট্ৰীয় ছাত্ৰাৱাস উদ্বোধন কৰা হয়। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য প্ৰাধ্যাপক জিতেন হাজৰিকাই ৪৮ গৰাকী শিক্ষাৰ্থী থাকিব পৰা এই ছাত্ৰাৱাসটো উদ্বোধন কৰে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱাল বিশ্ববিদ্যালয়ৰ আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমা কাৰ্যালয়ৰ সঞ্চালক প্ৰাধ্যাপক সুৰজিৎ বৰকটকীকে ধৰি ভালেকেইগৰাকী বিষয়া তথা শিক্ষাৰ্থী উপস্থিত থাকে। বিদেশী ছাত্ৰ-ছাত্ৰীৰ আগমনৰ ক্ৰমবৰ্ধিত হাৰক ইতিবাচক লক্ষণ হিচাপে আখ্যা দি উপাচাৰ্যগৰাকীয়ে অদূৰ ভৱিষ্যতে উচ্চ শিক্ষাৰ আন্তঃৰাষ্ট্ৰীয়কৰণৰ যোগেদি বিশ্ববিদ্যালয়খনলৈ অধিক হাৰত বিদেশী ছাত্ৰ-ছাত্ৰীক আকৰ্ষণ কৰিবলৈ যত্নপৰ হ'ব বুলি উল্লেখ কৰে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ভূটানৰ ১১৭ সংখ্যক ৰাষ্ট্ৰীয় দিৱস উদযাপন সমাৰোহত অংশগ্ৰহণৰ বাবে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা দেশখনত উপস্থিত হোৱা, ৰাজ্যৰ অনলাইন ট্ৰেডিং কেলেংকাৰী সন্দৰ্ভত চি বি আয়ে অভিযোগনামা দাখিল কৰাকে ধৰি আন কেইবাটাও বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

মুখ্যমন্ত্ৰীৰ ভূটান ভ্ৰমণৰ বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে **চাৰি দিনীয়া ভ্ৰমণসূচীৰে ভূটানত সপত্নীক মুখ্যমন্ত্ৰী শৰ্মা ঃ পাৰোত ৰাজকীয় আদৰণি, এডভাণ্টেজ আসামৰ হকে বাণিজ্যিক সন্মিলন-ৰোডশ্ব'ত ভাগ ল'লে মুখ্যমন্ত্ৰীয়ে** শীৰ্ষক শিৰোনামেৰে ফটোসহ মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। একেটা বাতৰিকে দ্যা ছেণ্টিনেল কাকতে CM accorded warm welcome in Bhutan আৰু Advantage Assam 2.0, CM invites Bhutan PM শিৰোনামেৰে দুটা বাতৰি প্ৰথম পৃষ্ঠাত ফটোসহ স্থান দিছে। দৈনিক অসমকে ধৰি আন কেইবাখনো কাকতেও বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে চি বি আইৰ ৫ খন চাৰ্জশ্বিটত অভিযুক্ত ১৮ শিৰোনামেৰে ৰাজ্যৰ অনলাইন ট্ৰেডিং কেলেংকাৰী সন্দৰ্ভত চি বি আয়ে বিশেষ আদালত অভিযোগনামা দাখিল কৰাৰ বাতৰিটো মুখ্য বাতৰিৰূপে প্ৰকাশষ কৰিছে। একেটা বাতৰি আমাৰ অসম, দি আছাম ট্ৰিবিউন আদি কাকতে ভিন্ন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

লোকসভাত কেন্দ্ৰীয় বিত্ত ৰাজ্য মন্ত্ৰী পংকজ চৌধুৰীৰ তালিকা- বিদেশী বিনিয়োগত অসম ২৬ নম্বৰত শিৰোনামৰ বাতৰিটোক দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

দৈনিক অগ্ৰদূত কাকতে মহিলা তথা শিশুৰ বিৰুদ্ধে অপৰাধ ৰুধিবলৈ পদক্ষেপ গ্ৰহণৰ বাবে জনোৱা আবেদনৰ উচ্চতম ন্যায়ালয়ে শুনানি গ্ৰহণ কৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মতামত বিচাৰি জাননী জাৰি কৰাৰ বাতৰিটোক প্ৰথম পৃষ্ঠাত গুৰুত্বপূৰ্ণ বাতৰিৰূপে প্ৰকাশ কৰিছে।

নিয়মীয়া বাৰ্তা কাকতৰ প্ৰথম পৃষ্ঠাত **অহা বৰ্ষত ৮০ শতাংশ নম্বৰ পোৱা শিক্ষাৰ্থীয়ে বাণীকান্ত কাকতি মেধা বঁটাৰ স্কুট লাভ কৰিব** বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে মন্তব্য কৰাৰ বাতৰিটোক স্থান দিয়া গৈছে।

**শেষ ঃ** এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাঁও।

০০০০০০

ব্ৰীজবেন টেষ্টৰ চতুৰ্থ দিনা অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ফল'অনৰ পৰা হাত সাৰিবলৈ ভাৰতৰ সংগ্ৰাম অব্যাহত আছে। সামগ্ৰিকভাৱে ২৭৮ ৰাণত পিছপৰি থকা ভাৰতৰ হাতত ৪টা উইকেট থকা অৱস্থাত ফল'অনৰ পৰা হাত সাৰিবলৈ এতিয়াও ৭৯ ৰাণৰ প্ৰয়োজন। ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ বাবে চলি থকা তৃতীয়খন টেষ্ট খেলৰ আজিৰ চতুৰ্থ দিনাৰ খেলৰ মধ্যাহ্নভোজনৰ বিৰতিলৈ আলহী দলটোৱে ৬টা উইকেট হেৰুৱাই ১৬৭ ৰাণ সংগ্ৰহ কৰিছে। প্ৰথম ইনিংছত কালিৰ ৪ উইকেটত ৫১ ৰাণৰ পৰা খেলিবলৈ আৰম্ভ কৰি আজি ভাৰতে কে এল ৰাহুলৰ সংগ্ৰামী বেটিঙৰ সহায়ত ডেৰ শতাধিক ৰাণ কৰিবলৈ সক্ষম হয়। ৰাহুলে ৮৪ ৰাণত আউট হোৱাৰ পাছত ৰবিন্দ্ৰ জাডেজাই ৪১ ৰাণত অপৰাজিত থাকি দলৰ সন্মান ৰক্ষাৰ যুঁজ অব্যাহত ৰাখিছে।

ইয়াৰ পূৰ্বে কালি ঘৰুৱা দলটোৱে প্ৰথম ইনিংছত ৪৪৫ ৰান সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাহে সৰ্বাধিক ৬টা উইকেট দখল কৰে। পাঁচখন খেলৰ শৃংখলাটোত দুয়োটা দলে ইতিমধ্যে এখনকৈ খেলত জয় লাভ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰত অংশকালীন সংবাদদাতা হিচাপে ডিব্ৰুগড়, ধেমাজি, বিশ্বনাথ, হোজাই, কামৰূপ, বজালী, পশ্চিম কাৰ্বি আংলং আৰু কাছাৰ জিলাৰ আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। সবিশেষ জানিবলৈ আৰু আবেদন পত্ৰ ডাউনলোড কৰিবলৈ প্ৰাৰ্থীয়ে www.newsonair.gov.in ত লগ ইন কৰিব পাৰে। অহা ১০ জানুৱাৰী ২০২৫ৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ The Head of Office, Akashvani, Guwahati, Guwahati-৭৮১০০৩ লৈ পঠাব লাগিব। প্ৰাৰ্থীয়ে নিজ হাতেও আবেদন পত্ৰ জমা দিব পাৰে।

০০০০০০

বতৰৰ বতৰা– বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত কুঁৱলী পৰাৰ লগতে বতৰ ফৰকাল হৈ থাকিব। এই সময়ছোৱাত ৰাজ্যৰ ঠাই বিশেষে পুৱা আৰু নিশাৰ ভাগত ডাঠ কুঁৱলী পৰাৰো সম্ভাৱনা আছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত ডাঠ কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত